শিকলে হ'লে আমাক শিক্ষা ব্যৱস্থাপনাৰ জ্ঞানৰ ...

## সফল শৈক্ষিক ব্যৱস্থাপনাৰ বৈশিষ্ট্যসমূহ (Characteristics of Successul Educational Management)

শৈক্ষিক ব্যৱস্থাপনাৰ লগত বিভিন্ন ধৰণৰ শৈক্ষিক কাম কাজ জড়িত হৈ আছে। শৈক্ষিক লক্ষ্য আৰু উদ্দেশ্যসমূহ বাস্তবায়িত কৰিবলৈ হ'লে সমগ্ৰ শিক্ষা ব্যৱস্থাৰ বা এক উপযুক্ত পৰিকল্পনাৰ প্ৰয়োজন হয়। শিক্ষা ব্যৱস্থাৰ দ্বাৰা সৰ্বোৎকৃষ্টভাবে লাভাম্বিত হ'বলৈ সম্পদ সমূহ যথোচিতভাৱে ব্যৱহৃত হ'ব লাগিব। এক সফল শৈক্ষিক ব্যৱস্থাপনাৰ বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল—

### (ক) শিথিলতা (Flexibility)

শৈক্ষিক ব্যৱস্থাপনামূলক কাৰ্যকলাপবোৰত দৃঢ় নীতি নিয়ম বা কঠোৰ বাধ্য বাধ্যকতা থকাতকৈ ই সদায় শিথিল বা নমনীয় হোৱা উচিত। ব্যৱস্থাপনা সদায় গতিশীল হ'ব লাগে আৰু পৰিবৰ্তিত পৰিস্থিতিত পৰিবৰ্তন কৰিব পৰা বিধৰ হ'ব লাগে। ব্যৱস্থাপনাৰ অন্তৰ্গত নীতি নিয়মবোৰ একো একোটা মাধ্যমহে হ'ব লাগে, ইয়েই চূড়ান্ত লক্ষ্য হ'ব নালাগে। শৈক্ষিক ব্যৱস্থাপনা প্ৰস্তুত কৰোঁতে মানৱ সম্পদ, বৈষয়িক সম্পদ, সময়, স্থান আদিবোৰ ব্যৱহাৰ কৰোঁতে নমনীয় হ'লে ইয়াৰ যান্ত্ৰিকতা নোহোৱা হয় আৰু ই এক সফল শৈক্ষিক ব্যৱস্থাপনা হিচাপে পৰিগণিত হয়।

### (খ) প্ৰয়োগশীলতা (Practicability)

শৈক্ষিক ব্যৱস্থাপনা বুলিলে কেৱল কেতবোৰ সংগঠিত নীতি নিয়মৰ সমষ্টিক নুবুজায়। ই নিৰ্দ্দিষ্ট লক্ষ্য আহৰণৰ বাবে গ্ৰহণ কৰা বিভিন্ন ধৰণৰ কৰ্ম আঁচনিকহে বুজায়। শৈক্ষিক ব্যৱস্থাপনাই কেৱল সেইবোৰ কৰ্ম আঁচনিকেই গ্ৰহণ কৰিব লাগে যিবোৰ প্ৰয়োগশীল আৰু সকলো স্তৰৰ বাবে উপযোগী। প্ৰায়োগিক দিশটোৰ প্ৰতি আওকান কৰি কোনোধৰণৰ নীতি আঁচনি গ্ৰহণ কৰিব নালাগে। গতিকে তাত্বিক আৰু প্ৰায়োগিক দিশৰ সমন্বয় সাধনৰ যোগেদিয়েই এখন সফল শৈক্ষিক ব্যৱস্থাপনা প্ৰস্তুত কৰিব পাৰি।

Scanned by CamScanner

**(গ) এখন দেশৰ সামাজিক আৰু ৰাজনৈতিক ভাৱধাৰাৰ অনুকৰণ কৰি (Conformity to social and Political Philosophy of the Country)**

শৈক্ষিক ব্যৱস্থাপনাৰ অন্যতম এক বৈশিষ্ট্য হৈছে সমাজৰ সৈতে যোগসূত্ৰ স্থাপন কৰা। এখন দেশৰ শিক্ষা ব্যৱস্থাত সেই দেশখনৰ আশা আকাংক্ষা, সামাজিক আৰু ৰাজনৈতিক ভাৱধাৰা বা চিন্তা চৰ্চা প্ৰতিফলিত হয়। এখন দেশৰ শিক্ষা ব্যৱস্থা মানে হ'ল সমাজৰ প্ৰয়োজন আৰু চাহিদাবোৰ পূৰণ কৰাৰ এক মূল মাধ্যম। এখন স্বৈৰাচাৰী দেশৰ শিক্ষা ব্যৱস্থা, নীতি, আদৰ্শ আদি এখন গণতান্ত্ৰিক দেশতকৈ সম্পূৰ্ণ পৃথক। কিয়নো এখন গণতান্ত্ৰিক দেশৰ শিক্ষা ব্যৱস্থা বা শিক্ষা ব্যৱস্থাপনা গণতান্ত্ৰিক নীতি আদৰ্শ, মূল্যবোধ বা সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ভাৱধাৰাৰ ওপৰত ভিত্তি কৰি গঢ়ি তোলা হয়।

**(ঘ) দক্ষতা (Efficiency)**

এখন সফল শৈক্ষিক ব্যৱস্থাপনা সেইখনহে যিখনে সকলো সম্পদকে সৰ্বোৎকৃষ্ট ব্যৱহাৰৰ বাবে উপযুক্ত ব্যৱস্থা হাতত ল'ব লাগে। এইটো তেতিয়াহে সম্ভৱ হ'ব যেতিয়া মানৱ সম্পদ আৰু বৈষয়িক সম্পদবোৰে সৰ্বোচ্চ পৰিমাণৰ উপযোগিতা লাভ কৰিবলৈ সক্ষম হ'ব। সফল শৈক্ষিক ব্যৱস্থাপনাই সঠিক ঠাইত সঠিক মানুহ দিয়া, বা সঠিক সময়ত সঠিক কাম দক্ষতাৰে সম্পন্ন কৰিবলৈ সকলো কামৰে পৰিকল্পনা কৰি তাক প্ৰয়োগ কৰাত গুৰুত্ব দিয়ে।

**(ঙ) শৈক্ষিক লক্ষ্যসমূহ বাস্তবায়িত কৰণ (Achieving Educational Goals)**

এটা সফল শৈক্ষিক ব্যৱস্থাপনা সেইখনহে যিয়ে শিক্ষাৰ নিৰ্দ্দিষ্ট লক্ষ্যসমূহ বাস্তৱত ৰূপায়িত কৰিব পাৰে। সকলো ব্যৱস্থাপনামূলক কাম কাজ শিক্ষাৰ নিৰ্দ্ধাৰিত লক্ষ্যসমূহৰ আধাৰত প্ৰতিষ্ঠিত হ'ব লাগে। অৰ্থাৎ শৈক্ষিক ব্যৱস্থাপনা লক্ষ্যকেন্দ্ৰিক হ'ব লাগে। শিক্ষাৰ মূল লক্ষ্যই হৈছে শিশুৰ সুস্থ সামাজিক জীৱন, সুস্থ শাৰীৰিক বিকাশ, নৈতিক বা আধ্যাত্মিক বিকাশ বা গণতান্ত্ৰিক নীতি আদৰ্শ আদিৰ ওপৰত গুৰুত্ব দি শিশুৰ সৰ্বোৎকৃষ্ট বিকাশত ব্যৱস্থাপনাই উক্ত দিশসমূহৰ ওপৰত গুৰুত্ব ৰাখি শিক্ষা ব্যৱস্থাপনাৰ নিৰ্দ্দিষ্ট লক্ষ্য বাস্তবায়িত কৰিব লাগে।

**(চ) শিক্ষাৰ্থীকেন্দ্ৰিক (Student Centred)**

সফল শৈক্ষিক ব্যৱস্থাপনা শিক্ষাৰ্থী কেন্দ্ৰিক হ'ব লাগে। সকলো প্ৰকাৰৰ শৈক্ষিক প্ৰচেষ্টা আৰু কৰ্ম আঁচনিৰ মূল উদ্দেশ্য হোৱা উচিত শিক্ষাৰ্থীসকলৰ কল্যাণ সাধন, শিক্ষা ব্যৱস্থাত যিবিলাক কাৰ্য সম্পাদিত হয় সেই সকলোবোৰ কাৰ্য পৰিচালিত হোৱা উচিত। 'শিক্ষাৰ্থীৰ যোগেদি আৰু শিক্ষাৰ্থীসকলৰ বাবে'।

**(ছ) স্বাধীনতা (Freedom)**

সফল শৈক্ষিক ব্যৱস্থাপনাৰ অন্য এক বৈশিষ্ট্য হ'ল স্বাধীনতা। শিক্ষাৰ লগত জড়িত সকলো স্তৰৰ

Scanned by CamScanner

সকলো প্ৰকাৰৰ ব্যক্তিকে উপযুক্ত ধৰণৰ স্বাধীনতা প্ৰদান কৰিব লাগে যাতে তেওঁলোকৰ দক্ষতা আৰু প্ৰতিভাৰ পূৰ্ণ ব্যৱহাৰ কৰিব পৰা যায়।

**সামৰণি (Conclusion)**

এখন শিক্ষা প্ৰতিষ্ঠানৰ বা ইয়াৰ লগত জড়িত অন্যান্য অনুষ্ঠান সমূহৰ সফলতা নিৰ্ভৰ কৰে কেনেকৈ নিৰ্দ্দিষ্ট উদ্দেশ্য আহৰণ কৰিবলৈ বা নিজৰ সভ্যতা সংস্কৃতিক বৰ্তাই ৰাখি নিজক প্ৰতিষ্ঠিত কৰাত শিক্ষা ব্যৱস্থাপনাই যথেষ্ট সহায় কৰে। শিক্ষা ব্যৱস্থাপনাই শিক্ষাক এক শৃংখলিত ৰূপ আৰু নিৰ্দ্দিষ্ট নীতি নিয়মসমূহ শিক্ষাত প্ৰয়োগ কৰি সুনিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে আগবাঢ়ি যোৱাত সহায় কৰে।

**প্ৰশ্নাৱলী**

Scanned by CamScanner